উত্তৰ-পূৰ্বাঞ্চল

মণিপুৰত নিৰাপত্তা বাহিনীৰ অভিযান: দুটা বিদ্রোহী সংগঠনৰ পাঁচজন কেডাৰ গ্রেপ্তাৰ

মণিপুৰত নিৰাপত্তা বাহিনীয়ে চলোৱা অভিযানত প্রিপাক (প্র') আৰু চোৱেপাৰ এগৰাকী মহিলাসহ মুঠ পাঁচজন কেডাৰ গ্রেপ্তাৰ হৈছে।

প্রকাশ: ২৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০০



ইম্ফল, ২৬ নৱেম্বৰ: মণিপুৰত নিৰাপত্তা বাহিনীয়ে চলোৱা দুটা পৃথক অভিযানত দুটা বিদ্রোহী সংগঠনৰ এগৰাকী মহিলাসহ মুঠ পাঁচজন কেডাৰ গ্রেপ্তাৰ হৈছে। ২৫ নৱেম্বৰত চোৰাংচোৱা তথ্যৰ ভিত্তিত মণিপুৰ আৰক্ষী আৰু অসম ৰাইফলছৰ যুটীয়া দলে ৰাজ্যখনৰ বিভিন্ন স্থানত এই অভিযান চলায়। প্রথমটো অভিযানত ইম্ফল পশ্চিম কমাণ্ডো গোট আৰু ৩৩ নং অসম ৰাইফলছৰ এটা দলে প্রিপাক (প্র')ৰ এগৰাকী মহিলা কেডাৰক গ্রেপ্তাৰ কৰে। ধৃত মহিলাগৰাকীক কাকচিং জিলাৰ চৈৰেল ছাবাল লেইকাইৰ বাসিন্দা লাইশ্রাম চন্দ্রকলা দেৱী (৫৫) বুলি চিনাক্ত কৰা হৈছে। তেওঁক বামন লেইকাই নাহাবামৰ এটা ভাড়াঘৰৰ পৰা আটক কৰা হয়।আৰক্ষীয়ে জনোৱা অনুসৰি, চন্দ্রকলা দেৱী নামবল অঞ্চলৰ বিভিন্ন মহাবিদ্যালয়ৰ পৰা ধন দাবী কৰি সংগঠনটোৰ বাবে পুঁজি সংগ্রহৰ কামত জড়িত আছিল।

আনহাতে, দ্বিতীয়টো অভিযানত টেংনৌপাল জিলাৰ ম'ৰে আৰক্ষী থানাৰ অন্তর্গত চোংজাং অঞ্চলৰ পৰা চোৱেপা সংগঠনৰ চাৰিজন সক্রিয় সদস্যক গ্রেপ্তাৰ কৰা হয়। ম'ৰে অঞ্চলত নিয়োজিত বিশেষ কমাণ্ডো গোট আৰু ৩৬ নং অসম ৰাইফলছৰ দলে ভাৰত-ম্যানমাৰ আন্তঃৰাষ্ট্রীয় সীমান্তৰ ৭৪ নম্বৰ সীমা স্তম্ভৰ সমীপত এই

অভিযান চলাইছিল।

ধৃত চাৰিজন সদস্যক কনজেনবাম দিনেশ ওৰফে মেইতেই (১৯), চিনখেইমায়ুম অবিনাশ মেইতেই ওৰফে টম্বা (১৯), পুথেম নানাও ওৰফে পিবা (১৯) আৰু নিংথৌজাম অৰুণকুমাৰ মেইতেই ওৰফে লুম্ফু (১৯) বুলি চিনাক্ত কৰা হৈছে। ইয়াৰে তিনিজনৰ ঘৰ ইম্ফল পূব জিলাত আৰু দিনেশৰ ঘৰ বিষ্ণুপুৰ জিলাৰ কাকয়াই লাংপোকত।

নিৰাপত্তা বাহিনীয়ে গ্ৰেপ্তাৰ কৰা পাঁচোজন কেডাৰৰ বিৰুদ্ধে যাৱতীয় আইনী ব্যৱস্থা গ্ৰহণ কৰিছে বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6534/manipur-security-forces-arrest-five-militants